# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 04-02-2025
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক পাঠশালা অধিৱেশনৰ আজি সামৰণি পৰিব। আজি পুৱা অসমৰ জনগোষ্ঠীয় ছাত্ৰ যুৱ সন্মিলনেৰে অনুষ্ঠানৰ কাৰ্যসূচী আৰম্ভ হয়। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমায়ে উদ্বোধন কৰা এই সন্মিলনত কেইবাটাও ছাত্ৰ সংগঠনৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে সাংবাদিক সন্মিলন আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। নিয়মীয়া বাৰ্তা কাকতৰ মুখ্য সম্পাদক নৰেশ কলিতাই উদ্বোধন কৰা এই সন্মিলনত দৈনিক অসম কাকতৰ প্ৰাক্তন সহযোগী সম্পাদক বেদব্ৰত মিশ্ৰই প্ৰতিনিধি হিচাপে অংশ লয়। দিনৰ ভাগত অনুষ্ঠিত **আকাশ** শীৰ্ষক মহিলাসকলৰ প্ৰতিভা বিকাশৰ অনুষ্ঠানটি ধেমাজিৰ বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ বিনিতা চৌধুৰী গাৰডিয়াই উদ্বোধন কৰে। বিয়লি সভাৰ মূল মঞ্চত নাট্য সন্মিলন আৰু গ্ৰন্থমেলাৰ বাকৰিত আজীৱন সভ্য সন্মিলন অনুষ্ঠিত হয়। আজি অনুষ্ঠানতে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি মৃণালিনী দেৱীক অসম সাহিত্য সভাই জীৱনযোৰা সাহিত্য প্ৰাণ সন্মান আৰু নৃপেন্দ্ৰ নাথ ভাগৱতীক সেৰা প্ৰাণ সন্মান প্ৰদান কৰাৰ কথা সাহিত্য সভাৰ বিদায়ী প্ৰধান সম্পাদক ড০ উপেন্দ্ৰজিৎ শৰ্মাই প্ৰকাশ কৰিছে। আজি সন্ধিয়াৰ ভাগত বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে অধিৱেশনৰ সামৰণি মৰা হ'ব।

০০০০০

আজি বিশ্ব কৰ্কট দিৱস। কৰ্কট ৰোগ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ লগতে এই ৰোগত আক্ৰান্তসকলৰ সহনশীলতা বৃদ্ধি তথা ৰোগৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ৰোগীৰ পৰিয়ালৰ সহযোগিতাৰ প্ৰতি সন্মান জনাই প্ৰতি বছৰে ৪ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। এইবছৰৰ বিশ্ব কৰ্কট ৰোগ দিৱসৰ মূল বিষয় হৈছে- United by Unique। এই দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

কোকৰাঝাৰ জিলাৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়ৰ পৰা চালাকাটিলৈ আজি কৰ্কটৰোগৰ সজাগতামূলক এটা মটৰচাইকেল সমদল উলিওৱা হয়। কোকৰাঝাৰ কৰ্কট চিকিৎসা কেন্দ্ৰৰ অধীক্ষক ডাঃ নিৰ্মল সিঙে এই সমদলৰ শুভাৰম্ভ কৰে। কমেও ৫০ গৰাকী ব্যক্তিয়ে এই মটৰচাইকেল সমদলত অংশ লয়। জিলাখনত কৰ্কট ৰোগ সন্দৰ্ভত ব্যাপক সজাগতা সৃষ্টিৰ উপৰি আক্ৰান্তসকলৰ মনত এই ৰোগৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে সাহস আৰু ইতিবাচক মনোভাৱ সৃষ্টিৰ বাবে এই সমদলৰ আয়োজন কৰা হয়।

মৰিগাঁও ধপাত নিয়ন্ত্ৰণৰ কোষৰ উদ্যোগত আজি জিলাখনৰ পবিতৰা হাট ভৰনত কৰ্কট ৰোগৰ বিৰুদ্ধে এখন সজাগতা সভা আয়োজন কৰা হয়। মৰিগাঁও জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকে উদ্বোধন কৰা এই সভাত মুখ্য অতিথিৰূপে অংশ লৈ ভাৰতীয় কেন্সাৰ কেয়াৰ সংস্থাৰ অধ্যক্ষ তথা জিলাখনৰ আয়ুক্ত

দেৱাশীষ শৰ্মাই এই ৰোগৰ সজাগতা সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত কৰ্কট ৰোগ চিনাক্তকৰণৰ বাবে ৩০ গৰাকী মহিলাৰ স্বাস্থ্য পৰীক্ষা কৰা হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিশ্ব কৰ্কট ৰোগ দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত কয়, যে এই দিৱস কৰ্কট ৰোগীসকলৰ সৈতে তেওঁলোকৰ পৰিয়ালৰ সহনশীলতা আৰু প্ৰতিকুলতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ মনোভাৱক শ্ৰদ্ধা জনোৱাৰ বাবে পালন কৰা হয়। ৰাজ্যখনত এই ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত চৰকাৰে প্ৰদান কৰা উৎকৃষ্ট চিকিৎসা সেৱাৰ বিষয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

ৰাজ্যৰ ১২ হাজাৰ ৩৭৫ খন বিদ্যালয়ত আজি গুণোৎসৱৰ তৃতীয় পৰ্যায় আৰম্ভ হৈছে। গুণোৎসৱৰ আজি প্ৰথমদিনা বিদ্যালয়সমূহৰ স্ব-মূল্যায়ন কৰা হয়।

**গোৱালপাৰা** জিলাৰ বালিজানা, মাটিয়া, দুধনৈ আৰু লক্ষীপুৰ শিক্ষাখণ্ডৰ অন্তৰ্গত এহেজাৰ ৫৭৪ খন বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীত অধ্যয়নৰত ১ লাখ ৬৩ হাজাৰ ৮৭২ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বহিঃমূল্যায়ন কৰা হ'ব। ইয়াৰ বাবে জিলাখনত ৬৭৬ গৰাকী বিষয়াক বহিঃমূল্যায়ক হিচাপে নিয়োগ কৰা হৈছে।

**দৰং** জিলাত এই পৰ্যায়ত এহেজাৰ ১৭৮ খন বিদ্যালয়ৰ ১ লাখ ২৩ হাজাৰ ২৩০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বহিঃমূল্যায়ন কৰা হ'ব। আজি স্ব-মূল্যায়নৰ অন্তত কাইলৈৰ পৰা ৫৩১ গৰাকী বহিঃমূল্যায়কে গুণোৎসৱৰ কাৰ্যসূচীত ভাগ ল'ব।

উল্লেখযোগ্য যে ডিব্ৰুগড়, বিশ্বনাথ, দৰং, মৰিগাঁও, বঙাইগাঁও, কাছাৰ, ডিমা হাচাও, গোৱালপাৰা, মাজুলী আৰু নলবাৰী জিলাত অহা ৭ ফেব্ৰুৱাৰীলৈ তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। কোকৰাঝাৰ আৰু ওদালগুৰি জিলাৰ পূৰ্বে বৈ যোৱা একাংশ বিদ্যালয়তো গুণোৎসৱ অনুষ্ঠিত হৈছে। এই পৰ্যায়ত মুঠ ৪ হাজাৰ ৯৬৭ গৰাকী বহিঃমূল্যায়কে ১১ লাখ ৩৮ হাজাৰ ২৭৫ গৰাকী শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰিব।

০০০০০

গোৱালপাৰা জিলাৰ প্ৰতিটো চৰকাৰী বিভাগৰ ভূমি, এই বিভাগসমূহে ৰূপায়ণ কৰা বিভিন্ন আঁচনিৰ তথ্য প্ৰধানমন্ত্ৰীৰ গতিশক্তি যোজনাৰ প'ৰ্টেলত আপলোড কৰাৰ বিষয়ত আজি গোৱালপাৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন সভা অনুষ্ঠিত হয়। সভাত প্ৰধানমন্ত্ৰী গতিশক্তি যোজনাৰ গোৱালপাৰা জিলাৰ ন'ডেল বিষয়া তথা সহকাৰী আয়ুক্ত অনুপম দাসে এই যোজনা সন্দৰ্ভত বিশদভাৱে বৰ্ণনা কৰে। প্ৰধানমন্ত্ৰী গতিশক্তি প'ৰ্টেলত প্ৰথম পৰ্যায়ত স্বাস্থ্য বিভাগৰ নিৰ্মাণকাৰ্য, অংগনৱাড়ী কেন্দ্ৰ স্থাপন, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ নিৰ্মাণকাৰ্য, পথ নিৰ্মাণ, বিদ্যুৎ বিভাগৰ নতুন প্ৰকল্প আদিকে ধৰি বিভিন্ন বিভাগৰ কাম-কাজৰ সমূহ তথ্য আপলোড কৰা হ'ব। এই তথ্যসমূহে পৰৱৰ্তী পৰ্যায়ত জিলাখনত যিকোনো প্ৰকল্প ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সহায় কৰিব। সভাত জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে এই প'ৰ্টেলত তথ্য আপলোডৰ কামসমূহ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে আটাইবোৰ বিভাগৰ বিষয়া আৰু অভিযন্তাসকলক শীঘ্ৰেই প্ৰশিক্ষণ প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰে।

০০০০০

সমাপ্ত